প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

## কোভিড-১৯ প্ৰতিৰোধী অভিযান

## এককালীন সাহায্য বিতৰণত অনিয়ম

# দুজন গাঁও পঞ্চায়ত সচিবক নিলম্বন

**গুৱাহাটী ২৭ এপ্ৰিলঃ** আজি কামৰূপ জিলা পৰিষদৰ গৰৈমাৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত আঁচলপাৰা গাঁও পঞ্চায়ত আৰু হাতীপাৰা গাঁও পঞ্চায়তৰ সচিবদ্বয় ক্ৰমে হয়জান আলী আৰু ফুলচান্দ আলীক তৎকালীনভাৱে বলবৎ হোৱাকৈ নিলম্বন কৰা হৈছে। খাদ্য সুৰক্ষাৰ কাৰ্ড নথকা গ্ৰাম্য দুখীয়া পৰিয়াললৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত প্ৰদান কৰি থকা ১০০০ টকীয়া অৰ্থ সাহায্য বিতৰণত এই পঞ্চায়ত দুখনত হোৱা খেলি-মেলিৰ সম্পৰ্কত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াৰ প্ৰতিবেদনৰ ভিত্তিত বিভাগৰ আয়ুক্ত হেমেন দাসে এই নিৰ্দেশ জাৰি কৰে।

উল্লেখযোগ্য যে কৰ'না ভাইৰাছৰ সংক্ৰমণৰ পৰা দেশৰ জনসাধাৰণক ৰক্ষা কৰাৰ অৰ্থে প্ৰতিৰোধমূলক ব্যৱস্থা হিচাপে দেশজুৰি চলি থকা লক্ ডাউনৰ পৰিপ্ৰেক্ষিতত খাদ্য সুৰক্ষাৰ কাৰ্ড নথকা দুখীয়া পৰিয়ালসকলক কিছু আৰ্থিক সকাহ দিয়াৰ উদ্দেশ্যে ১০০০ টকাকৈ নগদ ধন দিয়াৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। মুখ্যমন্ত্ৰীৰ নিৰ্দেশ মৰ্মে এই সিদ্ধান্ত গ্ৰহণ কৰি বিভাগীয় মন্ত্ৰী নৱ কুমাৰ দলেয়ে এই ধন বিতৰণত যাতে কোনো খেলি-মেলি নহয় তাৰ বাবে সকিয়াই দিয়াৰ উপৰি এই ক্ষেত্ৰত কোনো গাফিলতি প্ৰত্যক্ষ কৰিলে কঠোৰ পদক্ষেপ লোৱা হ'ব বুলিও ঘোষণা কৰিছিল। আজি মন্ত্ৰীগৰাকীয়ে নিষ্ঠা আৰু সততাৰে সকলো আঁচনি ৰূপায়ণ কৰিবলৈ সংশ্লিষ্ট সকলোকে পুনৰ আহ্বান জনায়। এইখিনিতে উল্লেখ কৰিব পাৰি যে এতিয়ালৈ খাদ্য সুৰক্ষাৰ কাৰ্ড নথকা ৪লাখ ১২ হাজাৰ টা গ্ৰাম্য দুখীয়া পৰিয়ালে এই নগদ ধন লাভ কৰিছে।

*এম আৰ ডি/২৭-০৪-২০২০*

প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

**কোভিড-১৯ প্ৰতিৰোধী অভিযান**

# পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ ঠিকাভিত্তিত নিযুক্ত কৰ্মচাৰীয়ে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আগবঢ়ালে ২০ লাখ টকাৰ চেক

# আৰু

# এ এছ্ আৰ এল এমৰ কৰ্মচাৰীয়ে আগবঢ়ালে ৫ লাখ টকাৰ চেক

**গুৱাহাটী ২৭ এপ্ৰিলঃ** পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত ঠিকাভিত্তিত নিযুক্ত হৈ থকা ৮,৪১২ গৰাকী কৰ্মচাৰীয়ে মিলি ২০ লাখ ১হাজাৰ ৫১৩ টকা মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আগবঢ়াইছে। এই কৰ্মচাৰীসকল বিভাগৰ দ্বাৰা ৰূপায়িত ৬খন আঁচনি ক্ৰমে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিত আঁচনি, প্ৰধান মন্ত্ৰী আৱাস যোজনা গ্ৰামীণ, ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনি, চতুৰ্দশ বিত্তীয় আয়াগ, ৰাষ্ট্ৰীয় গ্ৰাম স্বৰাজ অভিযান আৰু শ্যামাপ্ৰসাদ মুখাৰ্জী ৰুৰবান মিছনৰ অধীনত নিযুক্ত হৈ আছে। উল্লেখযোগ্য যে কোভিড-১৯ৰ সংক্ৰমণৰ ভয়াবহতাৰ মুখামুখি হ'বৰ বাবে অসম চৰকাৰৰ স্থায়ীভিত্তিত নিযুক্ত কৰ্মচাৰীসকলৰ দৰমহাৰ পৰা ইতিমধ্যে এদিনৰ দৰমহা সাহায্য হিচাপে আগবঢ়োৱাৰ পিছতে গ্ৰামোন্নয়ৰ ঠিকাভিত্তিক কৰ্মচাৰীসকলেও স্বইচ্ছাৰে তেওঁলোকৰ দৰমহা এটা অংশ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আগবঢ়োৱাৰ সিদ্ধান্ত লয়। আজি এই ধনৰ চেক বিভাগীয় মন্ত্ৰী নৱ কুমাৰ দলেয়ে বিভাগৰ আয়ুক্ত হেমেন দাসৰ উপস্থিতিত মুখ্যমন্ত্ৰীৰ হাতত অৰ্পন কৰে।

আনহাতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ কৰ্মচাৰীসকলেও আজি ৫লাখ ৭৩হাজাৰ ২৩৩টকাৰ চেকআৰু আত্মসহায়ক গোটসমূহে প্ৰস্তুত কৰা অসমী ব্ৰেণ্ডৰ মাস্কো বিভাগীয় মন্ত্ৰী নৱ কুমাৰ দলেৰ জৰিয়তে অভিযানৰ মিছন সঞ্চালক উৎপলা শইকীয়াৰ উপস্থিতিত মুখ্যমন্ত্ৰীৰ হাতত অৰ্পন কৰে।

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে মন্ত্ৰী দলেকে ধৰি বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কা, আয়ুক্ত দাস আৰু মিছন সঞ্চালকগৰাকীয়ে ঠিকাভিত্তিক কৰ্মচাৰীসকলৰ এনে মহানুভৱতাৰ শলাগ লৈছে আৰু সকলোৰে এনে আন্তৰিক প্ৰচেষ্টাত ৰাজ্যখনে চলিত ভয়াবহ সমস্যাৰ মোকাবিলা কৰিবলৈ সক্ষম হ'ব বুলি উল্লেখ কৰে।

*এম আৰ ডি/২৭-০৪-২০২০*